## কথনগত দক্ষতা ঃ ভাষা জ্ঞান, যতি জ্ঞান, উচ্চাৰণ

### ১ চমু উত্তৰ লিখা ঃ

(ক) ভাষা বুলিলে কি বুজা?

উত্তৰ ঃ কোনো জন -সমষ্টিয়ে প্ৰণালীবদ্ধ আৰু যাদৃচ্ছিক স্পষ্ট ধ্বনি-প্ৰতীকৰ দ্বাৰা পৰস্পৰে সহযোগিতা কৰি দৈনন্দিন জীৱনৰ কাৰ্য চলোৱা প্ৰথাৰ নামেই হৈছে ভাষা ।

(খ) মানুহৰ বাহিৰে আন প্ৰাণীয়ে ভাষা ক'ব পাৰেনে?

উত্তৰ মানুহৰ বাহিৰে আন প্ৰাণীয়ে ভাষা ক'ব নোৱাৰে।

(গ) ভাষাৰ মাধ্যমেৰে মানুহে কেনেদৰে যোগাযোগ স্থাপন কৰে?

উত্তৰ ঃ ভাষাৰ মাধ্যমেৰে মানুহে মৌখিক আৰু লিখিতভাৱে যোগাযোগ স্থাপন কৰিব পাৰে।

(ঘ) যতিচিন কিয় ব্যৱহাৰ কৰা হয়?

উত্তৰ ঃ মানুহে কথা-বতৰা পাতোঁতে বা ভাব প্ৰকাশ কৰোঁতে স্থান বিশেষে বিৰাম লৈ শব্দৰ অৰ্থ স্পষ্ট কৰিবলৈ মূলতঃ যতিচিন ব্যৱহাৰ কৰে।

(ঙ) উচ্চাৰণৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ কোনো নিৰ্দিষ্ট ৰীতি আছেনে ?

উত্তৰ ঃ উচ্চাৰণৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ কোনো নিৰ্দিষ্ট ৰীতি নাই।

(চ) অসমীয়া ভাষাত উচ্চাৰিত ধ্বনি সমষ্টিক কেইটা ভাগত ভাগ কৰিব পাৰি?

উত্তৰ ঃ অসমীয়া ভাষাত উচ্চাৰিত ধ্বনি সমষ্টিক প্ৰধানতঃ দুটা ভাগত ভাগ কৰিব পাৰি—স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি।

(ছ) লোগছ কাক বোলে?

উত্তৰ ঃ মানুহৰ বাক্ শক্তি আৰু ভবা শক্তিক গ্ৰীকসকলে একেলগে লোগছ বুলিছিল।

**২ উচ্চাৰণ শুদ্ধ কৰাৰ দুটা উপায় দাঙি ধৰা ।**

উত্তৰ ঃ ক) ধ্বনি বিজ্ঞানৰ অধ্যয়নৰ জৰিয়তে উচ্চাৰণৰ জ্ঞান লাভ কৰিব পাৰি।

খ) বানান, শব্দ, যতি আদি যথোচিতভাৱে প্ৰয়োগ কৰি উচ্চাৰণ কৰা উচিত। এইবোৰৰ উপযুক্ত প্ৰয়োগে ভাষাৰ শুদ্ধ উচ্চাৰণত সহায় কৰে।

## ৩ মৌখিক যোগাযোগৰ বিভিন্ন মাধ্যম সম্পৰ্কে এটি আলচ যুগুত কৰা।

উত্তৰ ঃ মৌখিক যোগাযোগৰ বিভিন্ন মাধ্যমসমূহক এনেদৰে ভাগ কৰিব পাৰি-

(ক) ব্যক্তি আৰু ব্যক্তিৰ যোগাযোগ

(খ) সভা-সমিতি

(গ) আলোচনাচক্ৰ-অধিৱেশন

(ঘ) সামূহিক আলোচনা

ব্যক্তিৰ লগত ব্যক্তিৰ যোগাযোগৰ প্ৰধান মাধ্যম হ'ল কথোপকথন। কথোপকথনৰ বাবে বক্তা আৰু শ্ৰোতা সহঁাৰিৰ প্ৰয়োজন। তদুপৰি প্ৰত্যেক ভাষাতে এনে কিছুমান শব্দ আছে, যিবোৰে বিভিন্ন অৰ্থ বহন কৰিব পাৰে। গতিকে এইক্ষেত্ৰত কি অৰ্থত শব্দটো প্ৰয়োগ হৈছে সেইকথা দুয়োজনৰ বাবেই প্ৰয়োজনীয়। ব্যক্তি আৰু ব্যক্তিৰ মাজৰ যোগাযোগৰ ক্ষেত্ৰত প্ৰত্যক্ষ সাক্ষাৎ নোহোৱাকৈ ফোনৰ মাধ্যমেৰেও বাৰ্তালাপ কৰিব পাৰি। এনে বাৰ্তালাপত ভাষাৰ সঠিক উপস্থাপনৰ দিশটোত গুৰুত্ব দিয়া অত্যন্ত প্ৰয়োজন।

মৌখিক যোগাযোগৰ আন এক মাধ্যম হৈছে সভা-সমিতি। বক্তা আৰু শ্ৰোতাৰ মাজত সভা-সমিতিয়ে পোনপটীয়া যোগাযোগ স্থাপন কৰিব পাৰে। এনে যোগাযোগত বক্তৃতাৰ ভূমিকাও গুৰুত্বপূৰ্ণ।

আলোচনাচক্ৰসমূহো মৌখিক যোগাযোগৰ অন্য এক মাধ্যম। আলোচনাচক্ৰত কোনো এটা বিষয়ৰ প্ৰত্যক্ষ উপস্থাপনৰ অৱকাশ থাকে। এনেধৰণৰ আলোচনাত বিভিন্ন সমস্যা সমাধানৰ পথো বিচৰা হয়।

তদুপৰি সামূহিক আলোচনাতো কোনো এটা বিষয় আলোচনাৰ বাবে মুকলি থাকে। ইয়াত নিৰ্দিষ্ট আলোচককেইজনে নিজস্ব মতামত আগবঢ়ায়।

৪ ভাষা বুলিলে কি বুজা?

উত্তৰ ঃ মানুহৰ মনৰ ভাব প্ৰকাশৰ একমাত্ৰ মাধ্যম ভাষা। বিভিন্ন ধ্বনিৰ সংযোগত শব্দ গঠন কৰি মানুহে মনৰ ভাব প্ৰকাশ কৰে আৰু এজনে আনজনৰ লগত যোগাযোগ স্থাপন কৰে। মানুহৰ বাহিৰে আন জীৱই পৰস্পৰে পৰস্পৰৰ মনৰ ভাব প্ৰকাশ কৰিবলৈ বিশেষ কিছুমান অংগী-ভংগী ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে, মৌমাখিয়ে এক বিশেষ ধৰণৰ নৃত্যৰ জৰিয়তে এটাই আনটোক মৌ থকা ঠাইৰ সম্ভেদ জনায়। আকৌ কোনো বিপদত কিছুমান জীৱ-জন্তুৱে চিঞঁৰি চিঞঁৰি আনবোৰক বিপদৰ আগজাননী দিয়ে। জীৱ-জন্তুৱে মনৰ ভাব প্ৰকীশ কৰিবলৈ ব্যৱহাৰ কৰা মাতত কোনো নতুনত্ব নাই। কিন্তু মানুহে সদায় নতুন নতুন ধৰণেৰে ধ্বনি সংযোগ কৰি মনোভাব ব্যক্ত কৰে। কথা বা ভাষাই মানুহক আন জীৱ-জন্তুৰ পৰা পৃথক কৰিছে।

মানুহৰ কথা ক'ব পৰা শক্তি তথা ভাষা ব্যৱহাৰ কৰিব পৰা শক্তিৰ লগত সাঙোৰ খাই থকা এক বিশেষ দিশ হ'ল ভবা শক্তি। ভাব নহ'লে ভাষা ক'ব নোৱাৰি আৰু ভাষা নহ'লেও ভাব প্ৰকাশ কৰিব নোৱাৰি। গ্ৰীকসকলে এই দুয়ো শক্তিক বুলিছিল 'লোগছ'। আনহাতে যাৰ এই দুয়োটা শক্তি নাই, সেইক্ষেত্ৰত তেওঁলোকে 'অলোগা' শব্দ ব্যৱহাৰ কৰিছিল। ভাব আৰু ভাষাৰ মাজত নিকট সম্পৰ্ক আছে যদিও

সূক্ষ্মভাৱে চালে দেখা যায় যে ভাষা নথকাতো ভাবৰ সৃষ্টি হ'ব পাৰে। বহুসময়ত মনৰ কোনো ভাব প্ৰকাশ কৰিব বিচাৰিলেও সেই ভাব প্ৰকাশ কৰিবলৈ ভাষা নোলাব পাৰে। ইয়াৰ জৰিয়তে ভাষাৰ অনুপস্থিতিত ভাবৰ স্থিতিৰ কথাকে সূচোৱা হয়।

ভাষা শব্দটো সংস্কৃত 'ভাষ্' ধাতুৰ পৰা আহিছে। যাৰ অৰ্থ ব্যক্ত বাণী। ব্যক্ত বাণীৰ অৰ্থ হ'ল স্পষ্ট আৰু পূৰ্ণ অভিব্যঞ্জনা। বক্তাৰ মনৰ ভাব শ্ৰোতাৰ ওচৰলৈ প্ৰেৰণ কৰাটো ভাষাৰ প্ৰধান কাম। উপযুক্ত শব্দসজ্জাই কোনো এটা ভাব কঢ়িয়াই নিয়াত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কিন্তু উপযুক্ত শব্দসজ্জাৰ পৰিৱৰ্তে শব্দৰ কিছু সাল-সলনি ঘটিলেই অৰ্থৰ পৰিৱৰ্তন ঘটিব পাৰে বা কেতিয়াবা অৰ্থ নোলাবও পাৰে।

ভাষা শব্দৰ প্ৰয়োগ যিহেতু মানুহে কোৱা ভাষাৰ ক্ষেত্ৰতহে প্ৰযোজ্য, সেয়েহে ৰাস্তাৰ ৰঙা লাইট, টেলিগ্ৰামৰ টক্ টক্ শব্দ , পুলিছৰ হুইছেল আদি ভাব প্ৰকাশৰ বিভিন্ন মাধ্যমক ভাষাৰ ভিতৰত ধৰিব নোৱাৰি। কোনো জনসমষ্টিয়ে প্ৰণালীবদ্ধ আৰু যাদৃচ্ছিক স্পষ্ট ধ্বনি প্ৰতীকৰ দ্বাৰা পৰস্পৰে সহযোগিতা কৰি দৈনন্দিন জীৱনৰ কাৰ্য চলোৱা প্ৰথাৰ নাম ভাষা। ভাষাৰ এটা প্ৰণালী আছে। সেই প্ৰণালী হৈছে প্ৰতীকৰ প্ৰণালী। প্ৰতীক মানে হ'ল ধ্বনিৰ প্ৰতীক আৰু এইধ্বনি প্ৰতীকবোৰ হ'ল যাদৃচ্ছিক। অৰ্থাৎ স্পষ্ট ধ্বনিৰ কোনো সুকীয়া অৰ্থ নাই। ভাষাৰ যাদৃচ্ছিক বৈশিষ্ট্যৰ বাবেই পৃথিৱীৰ সকলো ভাষা বেলেগ বেলেগ। বিভিন্ন ভাষাত একেটা বস্তুকে বুজাবলৈ বিবিধ স্পষ্ট ধ্বনি তথা ধ্বনি সংযোগৰ ব্যৱস্থা আছে। উদাহৰণস্বৰূপে, অসমীয়াত 'কুকুৰ' বুজাবলৈ ক-উ-ক-উ-ৰ এই পাঁচটা ধ্বনি ব্যৱহাৰ হৈছে। কিন্তু ইংৰাজীত দ-অ-গ এই তিনিটা ধ্বনি ব্যৱহৃত হৈছে। অসমীয়াত ব্যৱহাৰ হোৱা এটা ধ্বনিও ইংৰাজীত ব্যৱহাৰ হোৱা নাই। ইয়াৰ নামেই হ'ল যাদৃচ্ছিক। পৃথিৱীৰ বিভিন্ন ঠাইৰ মানুহে সুকীয়া সুকীয়া ধ্বনি উচ্চাৰণ কৰি মনৰ ভাব ব্যক্ত কৰে আৰু বেলেগ বেলেগ ভৌগোলিক পৰিৱেশত বিভিন্ন ভাষা মানুহে ব্যৱহাৰ কৰে।

৫ যতিচিন বুলিলে কি বুজা? যতিচিনৰ আৱশ্যকতা সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

উত্তৰ ঃ মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ বিভিন্ন শব্দ উচ্চাৰণ কৰে। বিভিন্ন ধ্বনিৰ সংযোগত শব্দ গঠন কৰি মানুহে মনৰ ভাব প্ৰকাশ কৰা লগতে এজনে আন এজনৰ লগত যোগাযোগ স্থাপন কৰে। মানুহে কথা-বতৰা পাতোঁতে বা শব্দবোৰ উচ্চাৰণ কৰোঁতে সকলোবোৰ শব্দ একেলেথাৰিয়ে নকৈ সুবিধা অনুসৰি কোনো ঠাইত অলপ কম সময় আৰু কোনো ঠাইত অলপ বেছি সময় বিৰাম ল'বলগা হয়। শব্দ উচ্চাৰণ কৰাৰ লগে লগে সুবিধামতে উশাহ লৈ নিশাহ উলিয়াই দিয়া হয়। মনৰ ভাব স্পষ্ট কৰিবলৈ বা অৰ্থ সহজবোধ্য কৰিবলৈ শব্দবোৰ একেলগে উচ্চাৰণ নকৰি বিৰতিৰ পিছত উচ্চাৰণ কৰা হয়। কথাৰ মাধুৰ্য ৰাখিবলৈ, লয়যুক্ত কৰিবলৈও বিৰতিৰ আৱশ্যক হয়। এনেদৰে কথা-বতৰা কওঁতে বা মনৰ ভাব প্ৰকাশৰ বাবে শব্দবোৰৰ মাজত সাময়িকভাৱে লোৱা বিৰতি বা বিৰামকেই যতি বোলা হয়।

শব্দবোৰৰ উচ্চাৰণ প্ৰবাহত মূলতঃ তিনিটা কাৰণৰ বাবে সাময়িক বিৰতিৰ প্ৰয়োজন হয়—

(ক) শ্বাস-নিশ্বাস জনিত বিৰতি বা শ্বাসযতি,

(খ) অৰ্থ আৰু ভাবপ্ৰসূত বিৰতি বা ভাবযতি (বা অৰ্থযতি)

(গ) অনুভূতি চালিত কিন্তু নিৰ্দিষ্ট পৰ্যায়ক্ৰমে বিন্যস্ত বিৰতি বা ছন্দযতি

**(ক) শ্বাস-নিশ্বাস জনিত বিৰতি বা শ্বাসযতি ঃ** মানুহে শব্দৰ ধ্বনি প্ৰবাহৰ মাজতে উশাহ-নিশাহৰ বাবে যি বিৰাম লয় সেয়ে শ্বাসযতি। এনে বিৰতিয়ে কথাবোৰ শুনিবলৈ শুৱলা কৰাৰ লগতে বক্তব্য কথাখিনিও সহজবোধ্য কৰি তোলে। বাগ্‌যন্ত্ৰৰ ধ্বনি প্ৰবাহৰ বাবে এনে যতিৰ নিতান্ত আৱশ্যক।

**(খ) অৰ্থ আৰু ভাবপ্ৰসূত বিৰতি বা ভাবযতি (বা অৰ্থযতি) ঃ** কথা-বতৰা বা লিখিত অৱস্থাত ভাবটো সম্পূৰ্ণ প্ৰকাশ কৰিবলৈ অৰ্থ অনুযায়ী বা ভাব অনুযায়ী ধ্বনি প্ৰবাহৰ মাজত বা শব্দৰ অংশ বিশেষত যি বিৰতি লয় তাকে অৰ্থযতি বা ভাবযতি বোলা হয়।

**(গ) অনুভূতি চালিত কিন্তু নিৰ্দিষ্ট পৰ্যায়ক্ৰমে বিন্যস্ত বিৰতি বা ছন্দযতি ঃ** কথা-বতৰা কওঁতে শ্ৰুতি মাধুৰ্যৰ বাবে বা ধ্বনি উচ্চাৰণত মনৰ অনুভূতি প্ৰকাশ কৰিবলৈ নিৰ্দিষ্ট পৰ্যায়ক্ৰমে যি বিৰতি লোৱা হয় সেয়ে ছন্দযতি। এনে বিৰতিয়ে বিশেষকৈ কবিতাত ছন্দ-মাধুৰ্য প্ৰদান কৰে।

মৌখিকভাৱে ভাবৰ আদান-প্ৰদান কৰোঁতে মানুহে শব্দৰ মাজে মাজে কিছু সময় বিৰতি লৈ উচ্চাৰণ কৰি বা কিছুমান শব্দত বিশেষভাৱে জোৰ দি শ্ৰোতাৰ অৰ্থ বুজি পোৱাত সহায় কৰে। কিন্তু লিখিত ৰূপত কোনো এটা ভাব উপস্থাপন কৰোঁতে কিছুমান নিৰ্দিষ্ট প্ৰতীক চিহ্নৰ প্ৰয়োগৰ দ্বাৰা ল'বলগীয়া যতি বা বিৰাম নিৰ্দেশ কৰি পাঠকক অৰ্থ বোধগম্য কৰাত সহায় কৰে। লিখিত ৰূপত প্ৰয়োগ কৰা এনে বিৰাম বা যতি নিৰ্দেশক চিহ্নবোৰক যতিচিহ্ন বা বিৰামচিহ্ন বোলা হয়। বিৰতিৰ স্থায়িত্ব আৰু অৰ্থব্যঞ্জনৰ বাবে যতিচিহ্নবোৰ বিভিন্ন ধৰণে ভাগ কৰিব পাৰি।

**ক) পূৰ্ণযতি বা দাৰি (।) ঃ** কোনো এটা বাক্যৰ অৰ্থৰ পূৰ্ণতা বুজাবলৈ পৰ্ণযতি বা দাৰি ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে—

অ) দেশতকৈ মোমাই ডাঙৰ নহয়।

এই বাক্যটোত 'নহয়' পদ উচ্চাৰণ কৰাৰ লগে লগে বাক্যটো শেষ হৈছে।

**খ) অৰ্ধযতি বা চেমিকোলন (;) ঃ** বাক্য এটা সমাপিকা ক্ৰিয়াৰে শেষ হ'লেও যদি অৰ্থটো সম্পূৰ্ণ নহয় অথচ পৰৱৰ্তী বাক্যৰ লগত অৰ্থ পূৰ্ণতাৰ সম্বন্ধ থাকে, তেনেক্ষেত্ৰত অৰ্ধযতি বা চেমিকোলন ব্যৱহাৰ কৰা হয়। চেমিকোলনত পূৰ্ণযতিতকৈ আধা বিৰাম লোৱা হয়। উদাহৰণস্বৰূপে—

অ) কেৱল নিজৰ স্বাৰ্থৰ কথা এৰক; দেশ আৰু জাতিৰ কথাও চিন্তা কৰক।

**গ) পাদযতি বা কমা (,) ঃ** সাধাৰণতে অৰ্ধযতি বা চেমিকোলনতকৈ কম সময় বিৰাম ল'লে পাদযতি বা কমা ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে—

অ) তেওঁ যদি আহিলেহেঁতেন, মই ফুৰিবলৈ গ'লোহেঁতেন।

**ঘ) ভাববোধক (!) ঃ** বাক্যত মানুহৰ তীব্ৰ আবেগ-অনুভূতি প্ৰকাশ পালে ভাববোধক যতি ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে—

অ) ছিঃ ছিঃ ! মানুহৰ কি ঘৃণনীয় মানসিকতা !

**ঙ) প্ৰশ্নবোধক চিন (?) ঃ** বাক্যৰ অৰ্থ প্ৰশ্নবোধক হ'লে বাক্যৰ শেষত এই চিহ্ন ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে—

অ) তোমাৰ নাম কি?

**চ) কোলন (ঃ) ঃ** কোনো এযাৰ কথা বা প্ৰসংগ উল্লেখ কৰি তাৰ বিৰৰণ বা ব্যাখ্যা, সংজ্ঞা আদি দিবলৈ কোলন ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে—

অ) মূল্য ঃ প্ৰতি লিটাৰত ৫০ টকা

**ছ) কোলন দেচ্ (ঃ—) ঃ** কোনো সূত্ৰ বা সংজ্ঞাৰ নামোল্লেখ কৰি উদাহৰণ দি বুজালে সাধাৰণতে দেচ্ বা কোলন দেচ্ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে—

অ) প্ৰকৃতি দুবিধ ঃ— (ক) ধাতু আৰু (খ) প্ৰাতিপদিক।

**জ) দেচ্ (—) ঃ** এটা কথাৰ লগতে আন এটা কথাৰ অৱতাৰণা কৰিলে নাইবা বাক্যৰ কোনো অংশত জোৰ দিলে দেচ্ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে—

অ) তুমি যেন সফল হোৱা — এয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা।

ঝ) হাইফেন (-) ঃ একে অৰ্থৰ বা বিপৰীত অৰ্থৰ শব্দক যোৰ কৰি বুজাবলৈ এই চিন ব্যৱহাৰ কৰা হয়। যেনে—সুখ-দুখ, বিপদ-আপদ, বা-বাতৰি ইত্যাদি।

**ঞ) উৰ্ধকমা** (“ ”) (‘’) ঃ উদ্ধৃতি বা প্ৰত্যক্ষ উক্তি হ'লে উৰ্ধকমা ব্যৱহাৰ কৰা হয়। যেনে—

অ) ৰামে সুধিলে, “তোমাৰ ঘৰ ক'ত?”

**ট) বন্ধনী চিন (...) ....ঃ** বাক্যৰ ভিতৰত কোনো শব্দৰ ভাঙনি, বিদেশী শব্দ বা অপৰিচিত শব্দৰ পৰিচিত শব্দ বা বাক্যাংশ বন্ধনীৰ মাজত ৰাখি বুজোৱা হয়। যেনে—

অ) প্ৰকৃতিৰ (ধাতু আৰু প্ৰাতিপদিক) লগত প্ৰত্যয় যোগ হৈ শব্দ বা পদ সৃষ্টি কৰে।

**ঠ) বৰ্জন চিন (....) ঃ** উক্তিৰ ভিতৰত বা উদ্ধৃত কথাৰ মাজত কিবা কথা বা শব্দ বাদ দিলে এই চিন ব্যৱহাৰ কৰা হয়।

**ড) চন্দ্ৰবিন্দু ( ঁ ) ঃ** অনুনাসিক উচ্চাৰণ কৰিবলৈ শব্দৰ কোনো আখৰৰ ওপৰত এই চিন ব্যৱহাৰ কৰা হয়। যেনে ঃ কৰোঁ, যাওঁ, পঢ়ো, বাঁহ ইত্যাদি।

এককথাত যতিচিনৰ প্ৰয়োগে বক্তব্য বিষয়ৰ অৰ্থ বা ভাব স্পষ্ট কৰাত যথেষ্ট সহায় কৰে। বানান ভুল হ'লে যিদৰে শব্দ বা বাক্য একোটাৰ অৰ্থ সলনি হ'ব পাৰে, একেদৰে যতিচিনৰ সুবিন্যস্ত প্ৰয়োগ অবিহনেও বাক্যৰ অৰ্থৰ পৰিৱৰ্ত্তন ঘটিব পাৰে বা বাক্যটো অৰ্থহীনো হৈ উঠিব পাৰে। সেয়েহে ভাষাৰ শুদ্ধ ৰূপ ৰক্ষাণৰ বাবে যতিচিহ্নৰ প্ৰয়োজনীয়তা যথেষ্ট আৰু এইবোৰৰ উপযুক্ত ব্যৱহাৰৰ প্ৰতি আমি সকলো সজাগ সচেতন হোৱা উচিত।